জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৫১/২০২২

# অসম মাইক্ৰ'ফাইনেন্স উদগনি আৰু ৰেহাই আঁচনিৰ অধীনত নলবাৰীত হিতাধিকাৰীসকলক চেক প্ৰদান কৰিলে মুখ্যমন্ত্ৰীয়ে

## উদ্যোগ আৰু উৎপাদনশীলতাত এই ধনৰ উপযুক্ত প্ৰয়োগ কৰিব লাগিব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ৬ ফেব্ৰুৱাৰী ঃ** মহিলা হিতাধিকাৰীসকলক অসম মাইক্ৰ'ফাইনেন্স উদগনি আৰু ৰেহাই আঁচনিৰ জৰিয়তে সকাহ প্ৰদানৰ ধাৰাবাহিক প্ৰক্ৰিয়াৰ অংশ হিচাপে আজি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই নলবাৰীৰ চৰকাৰী গৰ্ডন উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত আয়োজিত এক অনুষ্ঠানত প্ৰথম পৰ্যায়ত ৫০৩২ গৰাকী (নিয়মীয়া পৰিশোকাৰী) হিতাধিকাৰীক চেক প্ৰদান কৰে।

অসম ক্ষুদ্ৰ বিত্তীয় প্ৰতিষ্ঠান সকাহ আঁচনিৰ অধীনত জিলাখনত মুঠ ২৬,৮৩০ গৰাকী প্ৰথম শ্ৰেণীৰ হিতাধিকাৰীয়ে তেওঁলোকৰ চেক লাভ কৰিব। এই আঁচনিৰ প্ৰথম পৰ্যায়ত যিসকলে নিয়মিতভাৱে ঋণ পৰিশোধ কৰি আহিছিল, তেওঁলোকে ইয়াৰ জৰিয়তে উপকৃত হ'ব। তেওঁলোকক ২৫ হাজাৰ টকালৈকে এককালীন উদগনি অথবা পৰিশোধ কৰিবলৈ বাকী থকা ধনৰাশিৰ ভিতৰত যিটোৱে কম হয়, সেই পৰিমাণৰ সাহায্য প্ৰদান কৰা হ'ব। ঋণ পৰিশোধৰ দিশত প্ৰদৰ্শন কৰা নিয়মানুৱৰ্তিতাৰ উদগনি হিচাপে তেওঁলোকক এই সাহায্য আগবঢ়োৱা হৈছে।

উদ্যোগ আৰু উৎপাদনশীলতাত জড়িত হৈ এই উদগনিমূলক সাহায্যক যথোপযুক্তভাৱে ব্যৱহাৰ কৰিবলৈ আঁচনিখনৰ হিতাধিকাৰীসকলৰ প্ৰতি আহ্বান জনাই মুখ্যমন্ত্ৰীয়ে কয় যে অসমে নিজৰ বাবে প্ৰয়োজন হোৱা সামগ্ৰীৰ বাবে আন ৰাজ্যৰ ওপৰত সদায়ে নিৰ্ভৰশীল হৈ থাকিব নোৱাৰে। সকলো শ্ৰেণীৰ লোকে ৰাজ্যখনক প্ৰকৃত অৰ্থত আত্মনিৰ্ভৰ কৰাৰ দিশত প্ৰয়াস চলাব লাগিব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে অসমে কণী, মাংস, কুকুৰা, মাছ ইত্যাদি আন ৰাজ্যৰ পৰা আমদানি কৰিবলগীয়া হোৱা বাবে ৰাজ্যখনে বৃহৎ পৰিমাণৰ ৰাজহ হেৰুৱাবলগীয়া হয়। এই ক্ষেত্ৰসমূহত ৰাজ্যখনক স্বাৱলম্বী কৰি গঢ়ি তোলাৰ অতীৱ প্ৰয়োজনীয়তা আহি পৰিছে বুলি মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে।

মুখ্যমন্ত্ৰীয়ে কয় যে বৰ্তমানৰ ৰাজ্য চৰকাৰখনে বহুতো জনমুখী পদক্ষেপ গ্ৰহণ কৰিছে। প্ৰশাসনীয় কাম-কাজত মানুহৰ পোনপটীয়া হস্তক্ষেপ হ্ৰাস কৰি ইয়াক প্ৰযুক্তিনিৰ্ভৰ কৰাৰ দিশত চৰকাৰে প্ৰয়াস চলাই আহিছে। অনলাইন ব্যৱস্থাৰ জৰিয়তে দ্ৰুত আৰু দক্ষ ৰাজহুৱা সেৱা প্ৰদানৰ উদ্দেশ্যেৰে 'মিশ্যন বসুন্ধৰা', 'প্ৰকল্প সম্ভাৱনা'ৰ লেখীয়া বহু অভিলাষী পদক্ষেপ গ্ৰহণ কৰা হৈছে। 'চান্দা সংস্কৃতি'ৰ অৱসানৰ ওপৰত গুৰুত্ব আৰোপ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এনেধৰণৰ পৰম্পৰাৰ ইতি পৰিবই লাগিব। উৎসৱ পালনৰ বাবে চান্দা সংগ্ৰহৰ নামত কোনো ব্যৱসায়িক গোষ্ঠীক হাৰাশাস্তি কৰা উচিত নহয় বুলিও তেওঁ মন্তব্য কৰে।

জনসংযোগ, অসম

**মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ**

**প্ৰেছ বাৰ্তা**

মুখ্যমন্ত্ৰীয়ে কয় যে ১ লাখ যুৱক-যুৱতীক চাকৰি প্ৰদানৰ প্ৰতিশ্ৰুতি সম্পূৰ্ণৰূপে পূৰণৰ দিশত ৰাজ্য চৰকাৰ দায়বদ্ধ আৰু ৫০ হাজাৰ চাকৰি প্ৰদানৰ প্ৰক্ৰিয়া ইতিমধ্যেই  আৰম্ভ হৈছে। কেৱল ভাষণৰ ফুলজাৰিয়ে অসমৰ প্ৰগতিত সহায় কৰিব নোৱাৰে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্যখনক বিকাশৰ দিশত আগুৱাই নিবলৈ হ'লে চৰকাৰ আৰু জনসাধাৰণে হাতত হাত মিলাই আগবাঢ়িব লাগিব।

আজিৰ কাৰ্যসূচীত মুখ্যমন্ত্ৰীয়ে নলবাৰী জল নিষ্কাশন প্ৰকল্প, পাগলাদিয়া নদীৰ পশ্চিম দিশৰ মথাউৰি আৰু পথ নিৰ্মাণ, কুমাৰ ভাস্কৰ বৰ্মা কলাক্ষেত্ৰ নিৰ্মাণ, বিলপাৰ-নাৰিকুছি পথটো বাৰামবৈ বৰপুখুৰীহৈ বৰকুৰকুৰীয়া (গোৱালপাৰা)লৈকে নিৰ্মাণ, আই চি বি পি পথৰ বহুছোৱা অংশ নিৰ্মাণ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে।

মুখ্যমন্ত্ৰীয়ে কয় যে আজি আৰম্ভ কৰা নতুন আঁচনিসমূহৰ জৰিয়তে কৃত্ৰিম বানপানী ৰোধ, পথৰ আন্তঃগাঁথনি উন্নয়ন সাধন কৰাৰ লগতে ইয়াত থকা বাসিন্দাসকলৰ অৱসৰ-বিনোদনৰ সুযোগ প্ৰদানেৰে নলবাৰীক এক আধুনিক চহৰৰ ৰূপ প্ৰদান কৰিব।

এই কাৰ্যসূচীৰ আৰম্ভণিতে আজি দেহাৱসান হোৱা ভাৰত-ৰত্ন লতা মংগেশকাৰৰ প্ৰতি মুখ্যমন্ত্ৰী ড° শৰ্মাই গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

আজিৰ অনুষ্ঠানত বিত্তমন্ত্ৰী অজন্তা নেওগ, উদ্যোগ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস, সাংসদ কুইন ওজা, স্থানীয় বিধায়ক তথা মুখ্যমন্ত্ৰীৰ ৰাজনৈতিক সচিব জয়ন্ত মল্ল বৰুৱা, বিধায়ক ভূপেন বড়ো, জি এম ডি এ-ৰ অধ্যক্ষ নাৰায়ণ ডেকা, প্ৰাক্তন বিধায়ক অশোক শৰ্মা, ৰাজ্য চৰকাৰৰ শিক্ষা বিভাগৰ উপদেষ্টা ড° ননী গোপাল মহন্ত উপস্থিত আছিল।

**স্বাক্ষৰ/ পুঃডেঃ**
**৬-২-২০২২**